# NSD NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 19-04-2025 **Time :** 1205 Hrs.

## *Assamese Midday Bulletin*

সমাগত পঞ্চায়ত নিৰ্বাচনত জিলা পৰিষদ আৰু আঞ্চলিক পঞ্চায়তৰ মুঠ ৩৪৮ গৰাকী প্ৰাৰ্থী বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হোৱাটো নিশ্চিত হৈছে। কালি মনোনয়ন প্ৰত্যাহাৰৰ সময়সীমা উকলি যোৱাৰ পিছতে এন ডি এ ৩৭ খন জিলা পৰিষদৰ সমষ্টি আৰু ৩১১ টা আঞ্চলিক পঞ্চায়ত সমষ্টিত বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়। ৩৭ খন জিলা পৰিষদৰ ভিতৰত ৩৫ খনত বিজেপিয়ে আৰু দুখনত অসম গণ পৰিষদে জয়লাভ কৰে। আনহাতে, ৰাজ্যৰ মুঠ দুহেজাৰ ১৯২ টা আঞ্চলিক পৰিষদৰ সমষ্টিৰ ২৫৯ টা বিজেপিয়ে, ২৯ টা অসম গণ পৰিষদে আৰু ১৩ টা ৰাভা যৌথ মঞ্চই দখল কৰিছে।

ooooo

কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানৰ ২০২৪-২৫ পৰ্যটন বৰ্ষৰ হাতী চাফাৰী অহা ৩০ এপ্ৰিলৰ পৰা বন্ধ ৰখা হ'ব। উদ্যানখনৰ সঞ্চালক সোণালী ঘোষে প্ৰকাশ কৰা অনুসৰি যোৱা ১ নৱেম্বৰত আৰম্ভ হোৱা হাতী চাফাৰীয়ে পৰ্যটকৰ পৰা অভূতপূৰ্ব সঁহাৰি লাভ কৰিছিল।

ooooo

হোজাই জিলাৰ লংকা বজাৰৰ পিছফালে জমা কৰি ৰখা জাবৰত আজি পুৱতি নিশা জুইৰ সূত্ৰপাত ঘটে। বজাৰৰ সমীপত থকা জনসাধাৰণৰ আবাস গৃহ, লংকা পৌৰসভাৰ কাৰ্যালয়কে ধৰি লংকা আৰক্ষী থানাৰ কৰ্মচাৰীৰ আবাসগৃহ তথা বজাৰৰ দোকান-পোহাৰ আদি কথমপি অগ্নিকাণ্ডৰ পৰা ৰক্ষা পৰে। জুইৰ সূত্ৰপাত ঘটাৰ কাৰণ বৰ্তমানলৈকে জানিব পৰা হোৱা নাই। অগ্নি নিৰ্বাপন বাহন ঘটনাস্থলীত উপস্থিত হৈ জুউ নিৰ্বাপন কৰে। স্থানীয় ৰাইজে সেই স্থানৰ পৰা জাবৰ আঁতৰাবলৈ পৌৰ সভাক আবেদন জনোৱাৰ পাছতে বিষয়টোত গৰুত্ব নিদিয়াৰ অভিযোগ তুলিছে।

ooooo

অনুসন্ধান ৰাষ্ট্ৰীয় গৱেষনা প্ৰতিষ্ঠানৰ অনুদান ৰাজ্যৰ দুখন আগশাৰীৰ শিক্ষানুষ্ঠানে লাভ কৰিছে। পাৰ্টনাৰশ্বিপ ফ'ৰ এক্সেলেৰেটেড ইন'ভেছন এণ্ড ৰিচাৰ্চ্চ চমুকৈ পেয়াৰ কাৰ্যসূচীৰ অধীনত কটন বিশ্ববিদ্যালয় আৰু তেজপুৰ বিশ্ববিদ্যালয়ে এই অনুদান লাভ কৰিছে। আনহাতে জৱাহৰলাল নেহৰু বিশ্ববিদ্যালয়, পঞ্জাৱ কেন্দ্ৰীয় বিশ্ববিদ্যালয়, দিল্লী ফাৰ্মাচিউটিকেল ছায়েন্স এণ্ড ৰিচাৰ্চ্চ ইনষ্টিটিউট আৰু বেৰহামপুৰ বিশ্ববিদ্যালয়ৰ পেয়াৰৰ অনুদানৰ বাবে নিৰ্বাচিত কৰা হৈছে। ফলত বিশ্ববিদ্যালয় কেইখনে পৰৱৰ্তী ৫ বছৰ গৱেষণাৰ বাবে প্ৰায় ১৪ কোটি টকাকৈ লাভ কৰিব। উল্লেখযোগ্য যে, দেশৰ বহুসংখ্যক শিক্ষা প্ৰতিষ্ঠানে এই অনুদানৰ বাবে প্ৰস্তাৱ দাখিল কৰিছে যদিও মাত্ৰ ছখন বিশ্ববিদ্যালয়হে ইয়াৰ বাবে যোগ্য বিবেচিত হয়।

ooooo

কেন্দ্ৰীয় ঔষধ মান নিয়ন্ত্ৰণ সংগঠনে জনস্বাস্থ্যৰ সুৰক্ষাৰ প্ৰতি লক্ষ্য ৰাখি ৩৫ বিধ ফিক্সড ড'জ কম্বিনেছন ঔষধৰ বিক্ৰী আৰু উৎপাদন নিষিদ্ধ কৰিবলৈ নিৰ্দেশ দিছে। এই ঔষধবোৰৰ ভিতৰত আছে

কেইবা প্ৰকাৰো পেইনকিলাৰ, পৰিপুষ্টি পৰিপুৰক, ডায়বেটিছ্ প্ৰতিৰোধী ঔষধ আদি। কেন্দ্ৰীয় ঔষধ মান নিয়ন্ত্ৰক সংগঠনটোৱে জনস্বাস্থ্যৰ প্ৰতি ভাবুকি কঢ়িয়াই অনা এই ঔষধসমূহ কিমান নিৰাপদ সেয়া আগতীয়াকৈ পৰীক্ষা নকৰাকৈ উৎপাদন, বিক্ৰী আৰু বিতৰণৰ বাবে অনুজ্ঞাপত্ৰ দিয়াৰ বাবে বিভাগীয় কৰ্তৃপক্ষক সমালোচনা কৰিছে। সংগঠনটোৱে সকলো ৰাজ্য আৰু কেন্দ্ৰীয় শাসিত অঞ্চলৰ ঔষধ নিয়ন্ত্ৰকসকললৈ এই সন্দৰ্ভত নিৰ্দেশনা জাৰি কৰিছে।

00000

আকাশবাণী গুৱাহাটী কেন্দ্ৰৰ বাতৰি বিভাগে বাতৰি আৰু অনুষ্ঠান সম্পৰ্কত শ্ৰোতা ৰাইজৰ মতামত আৰু অভিমতক লৈ আজি নিশা ৮ বাজি ২ মিনিটত এটা বিশেষ দৃষ্টিপাত অনুষ্ঠান প্ৰচাৰ কৰিব। অনুষ্ঠান চলি থকাৰ সময়ত শ্ৰোতাসকলে ০৩৬১-২৬৬১৮৭৬ আৰু ২৬৬২৩২৫ – এই দুটা নম্বৰত ফোন কৰি আঞ্চলিক বাতৰি, ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক বাতৰি, জিলাৰ ৰেহৰূপ, দৃষ্টিপাত, সংবাদ চলন্তিকা, ক্ৰীড়া বাৰ্তা আৰু প্ৰাসংগিক আদি অনুষ্ঠান সম্পৰ্কত অভিমত আৰু পৰামৰ্শ আগবঢ়াব পাৰিব। ইয়াৰ লগতে শ্ৰোতাসকলে ৯৮৬৪০ ৫৫৫৬৬ নম্বৰত ৱাটছ্এপ যোগে পঠিওৱা বাৰ্তাও অনুষ্ঠানটোত অন্তৰ্ভুক্ত কৰা হ'ব।

বাতৰি বিভাগে কাইলৈ সন্ধিয়া ৭ বাজি ৪৫ মিনিটত অসমীয়া বিয়াৰ পৰিৱৰ্তন আৰু কিছু চিন্তা-দুঃচিন্তা বিষয়ক এটি বিশেষ সংবাদ চলন্তিকা প্ৰচাৰ কৰিব। এই দুয়োটা অনুষ্ঠানৰে পৰিকল্পনা আৰু উপস্থাপন আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ মুৰববী ৰাজীৱ লোচন বৰঠাকুৰৰ।

00000

বৰাক উপত্যকাৰ ডবা খেলুৱৈৰ বাবে প্ৰথমবাৰৰ বাবে গ্ৰেণ্ড মাষ্টাৰ্ছ প্ৰশিক্ষণ শিবিৰ অনুষ্ঠিত হৈছে। কাছাৰ ক্লাবত অনুষ্ঠিত এই তিনিদিনীয়া শিবিৰত কলকাতাৰ গ্ৰেণ্ড মাষ্টাৰ্ছ সপ্তৰ্ষি ৰায়ে সদৌ ভাৰত ডবা ফেডাৰেচনৰ উদ্যোগত আৰু সদৌ অসম ডবা সন্থা তথা কাছাৰ জিলা ডবা সন্থাৰ পৰিচালনাত এই প্ৰশিক্ষণ কাৰ্যসূচীৰ আয়োজন কৰা হৈছে। উপত্যকাটোৰ প্ৰায় ৫০ জন ডবা খেলুৱৈয়ে তিনি দিনীয়া এই শিবিৰত অংশগ্ৰহণ কৰিছে।

00000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি আহমেদাবাদত হ'বলগীয়া এখন খেলত গুজৰাট টাইটানছ ডেলহী কেপিটেলছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। খেলখন বিয়লি চাৰে ৩ বজাত আৰম্ভ হ'ব। আজিৰ আন এখন খেলত সন্ধিয়া চাৰে ৭ বজাত জয়পুৰত ৰাজস্থান ৰয়েলছ্ লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্ৰ মুখামুখি হ'ব।

ইপিনে, কালি নিশা বেংগালুৰুৰ এম চিন্নাস্বামী ষ্টেডিয়ামত হোৱা এখন খেলত পাঞ্জাব কিংছে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুক ৫ উইকেটত পৰাজিত কৰে। বৰষুণৰ বাবে খেলখন ১৪ অভাৰত সীমিত ৰাখিবলগীয়া হয়। পাঞ্জাব কিংছে ৯৬ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ৫ উইকেটৰ বিনিময়ত ১১টা বল খেলিবলৈ বাকী থকা অৱস্থাত বিজয় লক্ষ্য অতিক্ৰম কৰে। ইয়াৰ পূৰ্বে ৰয়েল চেলেঞ্জাৰ্ছ বেংগালুৰুৱে প্ৰথমে বেট ধৰি সীমিত ১৪ অভাৰত ৯টা উইকেট হেৰুৱাই ৯৫ ৰাণ সংগ্ৰহ কৰে।

00000

***সমাপ্ত***